# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 24-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাৰে বিকশিত অসমৰ দৃষ্টিভংগীক বাস্তৱায়িত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি নীতি আয়োগৰ পৰিচালনা পৰিষদৰ দশম বৈঠকত ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে বিকশিত ৰাজ্য বিষয়ত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰে পৰিচালিত হৈ ৰাজ্য চৰকাৰে ভাৰতক বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ অৰ্থনীতি হিচাপে গঢ়ি তোলাৰ অভিলাসী লক্ষ্যৰে পৰিৱৰ্তনশীল যাত্ৰাত অগ্ৰসৰ হৈছে। অসমে অভ্যন্তৰীণ জলপথৰ পুনৰ উজ্জীৱিত কৰি, আন্তঃগাথনি নিৰ্মাণ কৰি দক্ষিণ-পূৰ এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে নিজকে পুনৰ প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে অসম এতিয়া আৰু মানৱ পুঁজি আৰু সুযোগৰে সমৃদ্ধ দক্ষিণ-পূৰ এচিয়াৰ দুৱাৰমুখ হৈ পৰিছে। বিকশিত ভাৰতৰ লক্ষ্য পূৰণৰ বাবে বিকশিত অসমৰ গুৰুত্ব সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্য চৰকাৰে এখন সমৃদ্ধিশালী, ক্ষমতাশালী আৰু আত্মনিৰ্ভৰ অসম গঢ়াৰ বাবে নিৰ্ণায়ক পদক্ষেপ গ্ৰহণ কৰিছে। অসমক বিকশিত ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে পৰ্যটন, বস্ত্ৰ শিল্প, ইলেকট্ৰনিক্স, হাইড্ৰকাৰ্বন, কৃষি আৰু আন্তঃগাথনিৰ দৰে কেইবাটাও মূল খণ্ড চিনাক্ত কৰি উলিয়াইছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই প্ৰতিবছৰে উত্তৰ পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ এখনত খেলো ইণ্ডিয়া উত্তৰ পূৰ ক্ৰীড়া মহোৎসৱৰ আয়োজন কৰা হ'ব বুলি ঘোষণা কৰিছে। নতুন দিল্লীত আয়োজিত ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী সন্মিলন ২০২৫ ৰ সামৰণি অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে আজি এই বিষয়ে সদৰি কৰে। তেওঁ কয়, যে বিভিন্ন উদ্যমৰ জৰিয়তে অঞ্চলটোত ক্ৰীড়াতন্ত্ৰ শক্তিশালী কৰি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ। ২০৩০ চনত কমনৱেল্থ গেমছ আৰু ২০৩৬ চনত গ্ৰীষ্মকালীন অলিম্পিক আয়োজনৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰাৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে বছৰৰ যিকোনো সময়ত আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ আয়োজনৰ বাবে ভাৰত সঠিক স্থান।

ইপিনে, উত্তৰ–পূৰ উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী সন্মিলনে ৪ লাখ ৩০ হাজাৰ কোটি টকাৰ বিনিয়োগ আকৰ্ষণ কৰা বুলি প্ৰকাশ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলক শক্তিশালী কৰি দেশৰ প্ৰগতিৰ চালিকাশক্তিৰূপে গঢ়ি তোলাৰ দিশৰ পৰা ইয়াক সচা অৰ্থত পাতনি বুলি অভিহিত কৰিব পৰা যায় বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০

দেশৰ যিকোনো সংকটকালীন পৰিস্থিতিত সংবাদ মাধ্যমে অত্যুৎসাহী নহৈ সংযত আৰু শুদ্ধ তথ্য আধাৰিত বাতৰি প্ৰচাৰ কৰি জনসাধাৰণক স্পষ্টৰূপত অৱগত কৰা উচিত। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সংবাদ মাধ্যমৰ ভূমিকা শীৰ্ষক আলোচনাত আজি বিশিষ্ট গৱেষক, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চন্দন শৰ্মা আৰু সংবাদ মাধ্যম বিশেষজ্ঞ ৰামন বৰাই এইকথা প্ৰকাশ কৰে। তেওঁলোকে কয়, যে অপাৰেশ্বন

সিন্দূৰৰ সময়চোৱাত সাধাৰণতে যুদ্ধকালীন পৰিস্থিতিত কৰাৰ দৰে সংবাদ মাধ্যমে কিছু অতিৰঞ্জিত বাতৰি পৰিবেশন কৰিছিল যদিও একাংশ সংবাদ মাধ্যমে প্ৰচাৰ কৰা ভিত্তিহীন বাতৰিয়ে জনসাধাৰণক বিভ্ৰান্ত কৰাৰ আশংকাও আছিল। ভাৰতে এই অভিযানত সংযতভাৱে পাকিস্তানক প্ৰত্যুত্তৰ  দিছে আৰু এই কথাটো সংবাদ মাধ্যমে গুৰুত্ব সহকাৰে প্ৰচাৰ কৰা প্ৰয়োজন বুলি তেওঁলোকে উল্লেখ কৰে। অৱশ্যে আকাশবাণীয়ে এই সময়ছোৱাত সম্পূৰ্ণ শুদ্ধ তথ্যৰ ভিত্তিত জনসাধাৰণক বিভ্ৰান্ত নকৰাকৈ বাতৰি দিয়াৰ প্ৰয়াস কৰিছিল। আজিৰ অনুষ্ঠানটিৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

খাদ্য, অসামৰিক আৰু যোগান বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে দুদিনীয়া ভ্ৰমণসূচীৰে চিৰাং জিলাত উপস্থিত হৈ আজি বিজেপিৰ দলীয় নেতা-কৰ্মীৰ সৈতে মত বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে দুদিনীয়া ভ্ৰমণসূচীত জিলাখনত ৭খনকৈ মণ্ডল পৰ্যায়ৰ সভাত অংশগ্ৰহণ কৰিব। মন্ত্ৰী শ্ৰীৰায়ে আজি নিচিমা মণ্ডলত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে কাজলগাঁৱত ব্লক পৰ্যায়ৰ এখন কৰ্মীসভাতো তেওঁ অংশগ্ৰহণ কৰে।

০০০০

কৰ্কট ৰোগীসকলৰ বাবে বিগত ২০ বছৰে আগবঢ়াই অহা উল্লেখনীয় অৱদানৰ বাবে মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাক আজি অৱসৰপ্ৰাপ্ত অসম অসামৰিক সেৱা বিষয়া সন্থাই সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে গুৱাহাটীত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত জিলা আয়ুক্তগৰাকীক ফুলাম গামোচা আৰু সম্বৰ্ধনা পত্ৰ প্ৰদান কৰা হয়। জিলা আয়ুক্ত শ্ৰীশৰ্মাই প্ৰতিষ্ঠা কৰা দীপশিখা ফাউণ্ডেচনে উন্নত চিকিৎসাৰ বাবে মুম্বাইলৈ যোৱা কৰ্কট ৰোগীসকলক সেৱা আগবঢ়াই অহা বুলি অৱসৰপ্ৰাপ্ত অসম অসামৰিক সেৱা বিষয়া সন্থাৰ সভাপতি প্ৰশান্ত বৰুৱাই উল্লেখ কৰে।

০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ কুকুৰমাৰাত আজি সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত বাল্য বিবাহ, শিশু শ্ৰমিক আৰু মাদক দ্ৰব্যৰ বিৰুদ্ধে সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। কুকুৰমাৰা আঞ্চলিক ছাত্ৰ সন্থা আৰু ৰাইজৰ সহযোগত আয়োজিত সজাগতামূলক কাৰ্যসূচী অনুসৰি পদযাত্ৰা কৰা হয়। এই পদযাত্ৰা কাৰ্যসূচীত জিলা আছু বিষয়ববীয়াৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০

কামৰূপ জিলাৰ বকোত আজি ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদ আৰু পঞ্চায়ত নিৰ্বাচনত জয়ী হোৱা বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক সম্বৰ্ধনা জনোৱা হয়। কামৰূপ জিলা বিজেপিয়ে আয়োজন কৰা এই অনুষ্ঠানত বিজেপি, ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি আৰু অসম গণ পৰিষদৰ বিজয়ী প্ৰাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, পলাশবাৰীৰ বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু দক্ষিণ কামৰূপৰ বিজেপিৰ সভাপতি অঞ্জন গোস্বামী উপস্থিত থাকে।

০০০০

আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে- দেলহী কেপিটেলছক জয়ৰ বাবে ২০৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। পাঞ্জাব কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ২০৬ ৰাণ সংগ্ৰহ কৰে।

০০০০

সমাপ্ত